# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# <u>HEADLINES</u>

১। এন ডি এ শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলৰ সৈতে ছণ্ডিগড়ত অনুষ্ঠিত বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সুশাসন আৰু নাগৰিকৰ জীৱন উন্নত কৰি তোলাৰ বাবে বৈঠকত অংশগ্ৰহণ কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে মলাৱি ভ্ৰমণৰ আজি দ্বিতীয় দিনা কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

৩। অনলাইন কেলেংকাৰীৰ বৰ্ধিত ভাবুকি প্ৰতিহত কৰাৰ বাবে চৰকাৰ আৰু মেটা নামৰ কোম্পানীটোৱে যুটীয়াভাৱে প্ৰবঞ্চনাৰ পৰা নিজকে ৰক্ষা কৰক অভিযান আৰম্ভ কৰিছে।

৪। বিদেশ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়ালৈ যাব। ***আৰু***

৫। ভাৰতে কালি মহিলাৰ ছাফ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত পাকিস্তানক ৫-২ গলত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন ডি এৰ এখন বৈঠকত দেশৰ প্ৰগতিৰ লগতে দুখীয়া আৰু নিপীড়িত লোকসকলক আগুৱাই নিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি দোহাৰে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন ডি এ শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলৰ সৈতে ছণ্ডিগড়ত অনুষ্ঠিত বৈঠকত সুশাসন আৰু নাগৰিকৰ জীৱন উন্নত কৰি তোলাৰ বাবে চৰকাৰ আগ্ৰহী বুলি প্ৰকাশ কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে মলাৱি ভ্ৰমণৰ আজি দ্বিতীয় দিনা কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব আৰু দেশখনৰ নেতৃবৰ্গৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব। শ্ৰীমতী মুৰ্মুৰে আজি মলাৱিৰ ৰাষ্ট্ৰপতি লাজাৰুছ চকৰেৰাক সাক্ষাৎ কৰিব। আজি বিভিন্ন বিষয়ক লৈ প্ৰতিনিধি পৰ্যায়ৰ আলোচনাও অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে লগতে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক আৰু সমাধি পৰিদৰ্শন কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে কালি সন্ধিয়া এটা সমূহীয়া

অনুষ্ঠানত দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰবাসী ভাৰতীয়সকলক ভাল কাম কৰি যাবলৈ আৰু বিকশিত ভাৰতৰ পৰিকল্পনাৰ সক্ৰিয় সহযোগী হ'বলৈ আহ্বান জনায়।

00000

অনলাইন কেলেংকাৰীৰ বৰ্ধিত ভাবুকি প্ৰতিহত কৰাৰ বাবে চৰকাৰ আৰু মেটা নামৰ কোম্পানীটোৱে যুটীয়াভাৱে প্ৰৱঞ্চনাৰ পৰা নিজকে ৰক্ষা কৰক অভিযান আৰম্ভ কৰিছে। তথ্য আৰু সম্প্ৰচাৰ সচিব সঞ্জয় জাজুৱে কালি নতুন দিল্লীত  উদ্বোধনী অনুষ্ঠানত মূল ভাষণ প্ৰদান কৰি এই অভিযানক অনলাইন প্ৰৱঞ্চনাৰ বৰ্ধিত ভাবুকিৰ পৰা নাগৰিকসকলক ৰক্ষা কৰাৰ সময়োচিত আৰু আৱশ্যকীয় পদক্ষেপ বুলি অভিহিত কৰে। এই অভিযানৰ পৰা চৰকাৰে যে ডিজিটেল সুৰক্ষা আৰু সতৰ্কতাৰ প্ৰসাৰ বিচাৰে সেয়া স্পষ্ট হৈ পৰিছে বুলিও তেওঁ মন্তব্য কৰে। শ্ৰী জাজুৱে কয় ভাৰতত ৯০ কোটিৰো অধিক ইণ্টাৰনেট ব্যৱহাৰকাৰী আছে আৰু ডিজিটেল ইণ্ডিয়া উদ্যমৰ অধীনত খণ্ডটোৰ অভূতপূৰ্ব বিকাশ ঘটিছে। এই প্ৰগতিৰ ফলত চাইবাৰ প্ৰৱঞ্চনা ঘটনাও বৃদ্ধি পাইছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰী জাজুৱে কয় যে, বিগত বছৰত চাইবাৰ প্ৰৱঞ্চনাৰ ১১ লাখটা গোচৰ ৰুজু কৰা হৈছে। মেটা নামৰ কোম্পানীটোৱে ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়, গৃহ মন্ত্ৰালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয় আৰু ভাৰতীয় চাইবাৰ  অপৰাধ সমন্বয় কেন্দ্ৰৰ সহযোগত এই অভিযান আৰম্ভ কৰিছে।

00000

ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব। অহা ১৩ নৱেম্বৰত হ'বলগীয়া এই পৰ্যায়ত  ৰাজ্যখনৰ ৪৩টা সমষ্টি সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায়ৰ বাবে ২৫ অক্টোবৰ মনোনয়পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। ২৮ অক্টোবৰত মনোনয়পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে ৩০ অক্টোবৰলৈ মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। ৰাজ্যখনত এইবেলি দুটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ২০ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব। আমাৰ সংবাদদাতাই জনাইছে যে এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁটে আসনৰ ভাগ-বাটোৱাৰা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ উদ্দেশ্যে মিত্ৰ দলসমূহৰ সৈতে আলাপ-আলোচনা অব্যাহত ৰাখিছে। এইবাৰ বিজেপিয়ে এ জে এছ ইউ, জে ডি ইউ আৰু চিৰাগ পাছোৱান নেতৃত্বাধীন এল জে বিৰ সৈতে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। ইয়াৰ বিপৰীতে ঝাৰখণ্ড মুক্তি মৰ্চাই কংগ্ৰেছ, ৰাষ্ট্ৰীয় জনতা দল আৰু চি পি আই এম এলৰ সৈতে মিত্ৰতাৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

00000

কেন্দ্ৰীয় যুৱ আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই কালি ভাৰতীয় অলিম্পিক সংস্থা, ৰাষ্ট্ৰীয় ক্ৰীড়া সংস্থা আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰচাৰ সংস্থাৰ দৰে গুৰুত্বপূৰ্ণ অংশীদাৰীসকলৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাত মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰশাসন বিধেয়ক ২০২৪ৰ খচৰা সন্দৰ্ভত সংস্থাসমূহৰ পৰা পৰামৰ্শ বিচাৰে। মন্ত্ৰী মন্দাভিয়াই কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে ভাৰতক ক্ৰীড়া, আন্তঃগাঁঠনি শক্তিশালী আৰু ক্ৰীড়া প্ৰতিভাক উজলাই তোলাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ।

00000

বিদেশ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়ালৈ যাব। তেওঁ দেওবাৰে দেশখনৰ ৰাজধানী জাকাৰ্টাত ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰত আৰু ইণ্ডোনেছিয়াই এইবছৰ দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ

৭৫ বছৰ আৰু ভাৰতৰ পূব এছিয়াৰ দেশসমূহক গুৰুত্ব প্ৰদানৰ এক্ট ইষ্টৰ নীতিৰ এটা দশক সম্পূৰ্ণ হোৱাৰ উদযাপন কৰিছে। ইণ্ডোনেছিয়া এক্ট ইষ্টৰ নীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। বিদেশ মন্ত্ৰালয়ে কৈছে যে শপত গ্ৰহণ অনুষ্ঠানত শ্ৰী মাৰ্ঘেৰিটাৰ অংশগ্ৰহণে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সুচাইছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে ২০১৮ চনৰ শত্ৰুৰ সম্পত্তি নিষ্পত্তিৰ আদেশত  সংশোধন ঘটাইছে। গৃহমন্ত্ৰালয়ে এখন অধিসূচনা যোগে কৈছে যে, সম্পত্তি নিষ্পত্তিৰ ক্ষেত্ৰত মূল্য সীমা সংশোধন কৰা হৈছে। ইয়াৰ অধীনত গ্ৰাম্য এলেকাত এক কোটি টকাতকৈ কম আৰু নগৰ অঞ্চলত পাঁচ কোটি টকাতকৈ কম মূল্যৰ সম্পত্তি প্ৰথমে বৰ্তমানৰ বাসিন্দাসকলক ক্ৰয়ৰ বাবে আগবঢ়োৱা হ'ব। সংশোধনত গ্ৰাম্য আৰু নগৰাঞ্চলৰ সংজ্ঞাও স্পষ্ট কৰা হৈছে।

ooooo

যশস্বী অভিনেতা দেৱৰাজ ৰয়ৰ কালি ৬৯ বছৰ বয়সত ক'লকাতাত মৃত্যু হয়। বঙালী চিনেমাৰ লগতে তেওঁ আকাশবাণী আৰু দূৰদৰ্শনলৈও উল্লেখযোগ্য বৰঙণি আগবঢ়াই গৈছে। সত্যজিৎ ৰায়ৰ **প্ৰতিধ্বনি** আৰু মৃণাল সেনৰ **ক'লকাতা**ত কৰা তেওঁৰ অনবদ্য অভিনয়ে দৰ্শকক আকৰ্ষণ কৰিছিল। তৰুণ মজুমদাৰ, বিভূতি লাহা তথা তপন সিন্‌হাৰ দৰে অগ্ৰণী পৰিচালকৰ সৈতে তেওঁ কাম কৰিছিল।

প্ৰয়াত অভিনেতা ৰয়ে চিনেমাত অভিনয়ৰ উপৰি কলকাতা দূৰদৰ্শনৰ এগৰাকী জনপ্ৰিয় বাতৰি পৰিৱেশক আছিল। আকাশবাণী কলকাতা কেন্দ্ৰৰ বাবে তেওঁ বহু নাটকত অভিনয় কৰিছিল। বৃক্কজনিত সমস্যাত আক্ৰান্ত হৈ এইগৰাকী সুঅভিনেতাই ক'লকাতাৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে।

ooooo

ভাৰতে কালি নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত মহিলাৰ ছাফ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত পাকিস্তানক ৫-২ গলত পৰাস্ত কৰে। এইখন ভাৰতীয় দলৰ অধীনয়ক লোইটোংবাম আছালাতা দেৱীৰ ১০০ সংখ্যক খেল আছিল। খেলখনত ষ্ট্ৰাইকাৰ নগাংগোম বালা দেৱীয়ে নিজৰ খেলুৱৈ জীৱনৰ ৫০ সংখ্যক গলটো দিয়ে। দেৱী এই কৃতিত্ব আৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা ফুটবল খেলুৱৈ। ভাৰত ২৩ অক্টোবৰত হ'বলগীয়া নিজৰ দ্বিতীয়খন খেলত বালাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৩০ অক্টোবৰত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

ooooo

তামুলপুৰৰ খেল ইণ্ডিয়া ফেন্সিং কেন্দ্ৰৰ ছগৰাকী খেলুৱৈ ১৪ বছৰ অনুৰ্ধৰ ৬৮ সংখ্যক ৰাষ্ট্ৰীয় ফেন্সিং প্ৰতিযোগিতালৈ বাছনি লাভ কৰিছে। বাছনি লাভকৰা খেলুৱৈসকলৰ ভিতৰত স্বৰাংমা বড়ো, মাধুৰী দাস, অখিল বড়ো, ধ্ৰুৱজ্যোতি বড়ো, গৌৰৱ মহন্ত আৰু ৰণজিৎ বড়ো আছে। এই খেলুৱৈসকলে ১২ৰ পৰা ১৬ নৱেম্বৰলৈ জম্মুত হ'বলগীয়া ৰাষ্ট্ৰীয় ফেন্সিং প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত বাংগালুৰুৰ এম ছিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ তৃতীয় দিনৰ খেল আজি পুৱা পুনৰ আৰম্ভ হ'ব।  নিউজিলেণ্ডে কালি দ্বিতীয় দিনৰ খেলৰ সামৰণি পৰত তিনিটা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ১৮০ ৰান সংগ্ৰহ কৰিছিল। খেলৰ সামৰণি পৰত ৰাছিন

ৰবীন্দ্ৰ আৰু ডেৰেল মিছেলে ক্ৰিজত আছিল। নিউজিলেণ্ড বৰ্তমান ভাৰতৰ প্ৰথম ইনিংছতকৈ ১৩৪ ৰানত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি মাত্ৰ ৪৬ ৰানতে প্ৰথম ইনিংছ সামৰে।

ooooo

আই চি চি মহিলা টি-২০ বিশ্বকাপত কালি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেল খেলত ডিফেন্দিং চেম্পিয়ন অষ্ট্ৰেলিয়াক পৰাস্ত কৰি দক্ষিণ আফ্ৰিকাই ফাইনেলত স্থান নিশ্চিত কৰিছে। গুৰুত্বপূৰ্ণ খেলখনত দক্ষিণ আফ্ৰিকাই প্ৰথমে বেটিং কৰিবলৈ অষ্ট্ৰেলিয়াক আমন্ত্ৰণ জনায়। নিৰ্ধাৰিত ২০ অভাৰত অষ্ট্ৰেলিয়াই পাঁচটা উইকেটৰ বিনিময়ত ১৩৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ১৮ অভাৰত লক্ষ্যত উপনীত হয়। দক্ষিণ আফ্ৰিকাৰ খেলুৱৈ বছক প্লেয়াৰ অব দ্যা মেচ বঁটা প্ৰদান কৰা হয়।

আজি শ্বাৰজাহ ক্ৰিকেট ষ্টেডিয়ামত দ্বিতীয়খন ছেমিফাইনেলত নিউজিলেণ্ড ৱেষ্ট ইণ্ডিজৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। এই খেলখনত বিজয়ী দলটোৱে অহা দেওবাৰে ডুবাইত অনুষ্ঠিত হ'বলগীয়া ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব।

ooooo

**সমাপ্ত**